# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

## বুধবাৰ, ১৯ ফেব্ৰুৱাৰী, ২০২৫

**কৃষি, আৱকাৰী, সীমান্ত সুৰক্ষা আৰু উন্নয়ণ, উদ্যান শস্য, অসম চুক্তি ৰূপায়ণ, তথ্য, জনসংযোগ, ছপা আৰু লেখন সামগ্ৰী, সামাজিক ন্যায় আৰু সৱলীকৰণ, জলসম্পদ, খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা, খনি আৰু খনিজাত দ্ৰব্য, বৰাক উপত্যকা উন্নয়ন।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০**

*বিষয় ঃ* **হিতাধিকাৰী সম্পৰ্কে।**

আব্দুছ ছোৱাহান আলী সৰকাৰ ঃ

* ১। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত National Food Security Act (NFSA) ৰ অধীনত কিমান ৰেচন কাৰ্ডৰ হিতাধিকাৰী আছে? ইয়াৰে ২৫ নং গোলকগঞ্জ সমষ্টিত কিমান হিতাধিকাৰী আছে? বৰ্তমান আৰু নতুনকৈ হিতাধিকাৰী বাচনি কৰা হ'ব নেকি? হিতাধিকাৰী বাচনি কৰাৰ নিয়ম কি কি তথ্য সহকাৰে জনাব।

(খ) গোলকগঞ্জ সমষ্টিত সদ্য নতুনকৈ কিমান হিতাধিকাৰী লোৱা গৈছে, গাঁও পঞ্চায়ত আৰু পৌৰসভা ভিত্তিক সদনত তথ্য যোগান ধৰিব।

(গ) সদ্য হিতাধিকাৰী বাচনিত ধুবুৰী জিলাত কি কাৰণত গাঁও অঞ্চলত এজনীয়া আৰু দুজনীয়া পৰিয়ালৰ কাৰ্ড কৰ্তন কৰা হ'ল। কিন্তু চহৰ অঞ্চলত কৰ্তন কৰা নহ'ল, লগতে ধুবুৰী জিলাত এজনীয়া আৰু দুজনীয়া পুৰণি ৰেচন কাৰ্ডৰ গৰাকীৰ পৰীক্ষা নিৰীক্ষা চলি থকাৰ কাৰণ জনাব।

(ঘ) বৰ্তমান অসমৰ বহুতো ৰেচন কাৰ্ডৰ গৰাকীয়ে কৰ্ম সূত্ৰে অসমৰ বাহিৰত বা জিলাৰ বাহিৰত থকা হেতুকে তেওঁলোকৰ নিজৰ কাৰ্ডৰ চাউলখিনি কেনেকৈ পাব, তাৰ কি ব্যৱস্থা আছে সদনত উল্লেখ কৰিব লগতে বহুত পৰিয়াল কৰ্মসূত্ৰে বাহিৰত থাকে, তেওঁলোকৰ ৰেচন কাৰ্ড কি উপায়েৰে Transfer কৰিব পাৰিব জনাব।

*Subject :* **Erosion and flood control of Sankosh River.**

Sri Jiron Basumatary :

* 2. Will the Minister of Water Resources Department be pleased to state :

A total of Rs. 324.69 crore DPR

has been reported through WAPCOS Limited to effectively control the soil erosion and flooding of the Sankosh River. Is there a move to implement this work in the current financial year ? If so, will you specify when it will be implemented ?

*বিষয় ঃ* **ৰেচন কাৰ্ড**

ড° অমিয় কুমাৰ ভূঞা ঃ

* ৩। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিহপুৰীয়া বিধান সভা সমষ্টিত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত বৰ্তমানলৈকে কিমানটা দুখীয়া পৰিয়াললৈ ৰেচন কাৰ্ড প্ৰদান কৰা হ'ল?

(খ) বিহপুৰীয়া বিধানসভা সমষ্টিত বৰ্তমানেও দুখীয়া পৰিয়াল ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৰেচন কাৰ্ড লাভৰ পৰা বঞ্চিত হৈ আছে নেকি? যদি আছে, কিমানটা পৰিয়াল এই সুবিধাৰ পৰা বঞ্চিত হৈ আছে?

(গ) যিসকল দুখীয়া পৰিয়ালে এতিয়াও ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৰেচন কাৰ্ড লাভ কৰা নাই, তেনে পৰিয়ালসমূহক এই আঁচনিৰ অন্তৰ্ভুক্ত কৰি কেতিয়া ৰেচন কাৰ্ড দিয়া হ'ব? (সদনত জনাব)

*বিষয় ঃ* **যোৱা তিনিটা বিত্তীয় বৰ্ষত কৃষি বিভাগে অসমৰ কৃষকৰ বাবে ক্ৰয় কৰা বীজৰ সন্দৰ্ভত।**

বিশ্বজিৎ ফুকন ঃ

* ৪। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা তিনিটা বিত্তীয় বৰ্ষত কৃষি বিভাগে অসমৰ কৃষকৰ বাবে কিমান টকাৰ বীজ ক্ৰয় কৰিছে? ক্ৰয় কৰা বীজৰ কিমান শতাংশ অসমত থলুৱা ভাৱে উৎপাদিত বীজ আৰু কিমান শতাংশ অসমৰ বাহিৰৰ পৰা ক্ৰয় কৰা বীজ? সদনত দাখিল কৰিব।

(খ) এই ক্ষেত্ৰত থলুৱা কৃষকৰ পৰা বীজ ক্ৰয় কৰাৰ বাবে চৰকাৰে কিবা আঁচনি গ্ৰহণ কৰিছে নেকি?

*বিষয় ঃ* **অসমৰ বানপানী, নদী সমূহ আৰু মথাউৰিৰ অৱস্থা।**

শ্ৰীঅখিল গগৈ ঃ

* ৫। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত সৰ্বমুঠ কিমানখন নদী আছে আৰু আটাইবোৰ নদীত কিমান কিলোমিটাৰ মথাউৰি আছে? ইয়াৰে কিমান কিলোমিটাৰ মথাউৰি ১০ মে' ২০১৬ৰ পাছত নতুনকৈ নিৰ্মাণ কৰা হৈছে? নতুনকৈ নিৰ্মাণ কৰা মথাউৰি সমূহৰ নাম, sanction ৰ তাৰিখ আৰু কাম শেষ হোৱাৰ তাৰিখ, বৰ্তমান অৱস্থা জনাব।

(খ) অসমত নতুনকৈ কিমান কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰাৰ প্ৰয়োজন আছে আৰু ইয়াৰ কিমান কিলোমিটাৰ মাটিৰ ক্ষতিপূৰণ দিবলগীয়া আৰু কিমান কিলোমিটাৰ মাটিৰ ক্ষতিপূৰণ দিব নলগীয়া মথাউৰি? ইয়াৰে কিমান কিলোমিটাৰ মথাউৰি বিভাগে নতুনকৈ

নির্মাণ কৰি আছে, নির্মাণ কৰি থকা মাটিৰ ক্ষতিপূৰণ দিব নলগীয়া মুঠ মথাউৰিৰ সংখ্যা (কিলোমিটাৰত) আৰু মাটিৰ ক্ষতিপূৰণ দিবলগীয়া মথাউৰিৰ পৰিমাণ উল্লেখ কৰিব।

(গ) ২০২৪-২৫ বৰ্ষত কোন কোন নদীৰ মথাউৰি ভাঙিছে? ভঙা মথাউৰি সমূহ সম্পূৰ্ণকৈ পুনৰ নিৰ্মাণ কৰা হ'লনে? সেই সমূহ মথাউৰি ভঙাৰ নিৰ্দ্দিষ্ট কাৰণ কি? কোন কোন নদীৰ মথাউৰিৰ ওপৰেৰে এইবাৰ পানী বৈছিল? এনেকৈ পানী ওপৰেৰে বোৱা প্ৰতিটো চাপৰ আৰু দুৰ্বল মথাউৰি সবল কৰা কি আঁচনি গ্ৰহণ কৰা হৈছে, নামসহ জনাব।

*বিষয় ঃ* **ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া প্ৰতিৰোধ সম্পৰ্কে।**

আফতাব উদ্দিন মোল্লা ঃ

* ৬। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ বিধান সভা সমষ্টিৰ ধুবুৰী জিলাৰ অন্তৰ্গত ঐতিহাসিক বুঢ়াবুঢ়ী থানৰ এলেকাত অবাধ গতিত চলি থকা ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে আজিলৈকে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই, এই সম্পৰ্কে চৰকাৰ অৱগত নে? উক্ত ঐতিহাসিক থান খনৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে কিবা ব্যৱস্থা কৰিব নে?

(খ) জলেশ্বৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত তুলসীবাৰীৰ পৰা আৰম্ভ কৰি ফকিৰগঞ্জলৈকে প্ৰায় ৪০ (চল্লিশ) কিলোমিটাৰ দৈৰ্ঘ্যৰ বিস্তীৰ্ণ এলেকাত চলি থকা ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াৰ প্ৰতিৰোধৰ বাবে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই, উক্ত এলেকাসমূহ গৰাখহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নে? যদি কৰে, কেতিয়া কৰিব?

*বিষয় ঃ* **কৃষি বিভাগৰ আঁচনি সম্পৰ্কে**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

* ৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত APART Scheme ৰ অধীনত ক'ত ক'ত কি কাম চলি আছে? সমষ্টি ভিত্তিত তালিকা সহ জনাব? এই আঁচনিৰ অধীনত চলি থকা কাম সমূহৰ কিমান শেষ হৈছে আৰু কিমান বাকী আছে? বাকী থকা কাম সমূহ APART Scheme ত নিৰ্দ্ধাৰিত সময়মতে শেষ হ'বনে?

(খ) যদি নহয়, তেন্তে এই Scheme ৰ নিৰ্দ্ধাৰিত সময়সীমা বৃদ্ধি কৰিব নে? যদি নকৰে কিয়? তথ্য সহকাৰে জনাব।

(গ) অসমত কৃষি বিভাগত কিমান আঁচনি চলি আছে, তাৰে কিমান আঁচনি গোৱালপাৰা পূব সমষ্টিত চলি আছে, তথ্য সহকাৰে জনাব।

(ঘ) গোৱালপাৰা জিলা ২০১৯-২০, ২০২০-২১, ২০২১-২২, ২০২২-২৩ এই বিত্তীয় বৰ্ষ কেইটাত কি কি শস্যৰ বীজ খেতিয়কক দিয়া হৈছিল? তাৰে গোৱালপাৰা পূব সমষ্টিত কি কি শস্যৰ বীজ খেতিয়কক দিয়া হৈছে আৰু কিমান পৰিমাণৰ দিয়া হৈছে? তথ্য সহকাৰে জনাব।

(ঙ) খাদ্য আৰু অসামৰিক যোগান বিভাগে ২০২০-২১, ২০২১-২২, ২০২২-২৩ বিত্তীয় বৰ্ষত কৃষি বিভাগৰ পৰা কিমান

ধান ক্রয় কৰিলে? জিলা ভিত্তিত তথ্য সহকাৰে জনাব।

(চ) গোৱালপাৰা জিলাত ক্রয় কৰা ধান সমূহ গোৱালপাৰা FCI ত কিমান দিয়া হৈছে আৰু কিমান জমা আছে? এই ধান সমূহ কোন কোন ধান MILL ত গোৱালপাৰা FCI য়ে MILLING কৰে তাৰে তালিকা দিব।

(ছ) এই ধান সমূহ FCI ক নিদি PDS লাইচেন্স থকা ধান MILL সমূহক MILL-ING কৰি দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি আৰু এই ধানৰ পৰা ওলোৱা চাউলখিনি কো-অপাৰেটিভ চ'ছাইটি অথবা সুলভ মূল্যৰ দোকান সমূহক পোনে পোনে Allotment দিয়াৰ ব্যৱস্থা কৰিব নেকি? যদি নকৰে কিয়? তথ্য সহকাৰে জনাব।

*Subject* : **Construction of Cold Storage.**

Sri Jolen Daimary :

* 8. Will the Minister of Agriculture Department be pleased to state :

Whether the Department of Agriculture has taken any initiative to construct Cold Storage in different places, if not, will any measures be taken to construct? Please explain.

*বিষয়* : **সীমান্ত অঞ্চলত সুৰক্ষা /আঁচনি**

শ্ৰীনিজানুৰ ৰহমান ঃ

*৯। মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত সীমান্ত অঞ্চলত বসবাস কৰা মানুহৰ উন্নয়ন আৰু সুৰক্ষাৰ বাবে কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? যোৱা তিনিটা বছৰৰ তথ্য জিলা ভিত্তিক সদনত দাখিল কৰিব।

(খ) অসমৰ ধুবুৰী আৰু দক্ষিণ শালমাৰা জিলাত যোৱা তিনি বছৰত সীমান্ত উন্নয়নৰ নামত কিমানখন আঁচনিৰ কাম চৰকাৰে আৰম্ভ কৰিছে, তাৰ পৰিবৰ্তে ধনৰ পৰিমাণ কিমান? তাৰ তথ্য, আঁচনিৰ নাম অনুযায়ী তালিকা, জিলা ভিত্তিক সদনত দাখিল কৰিব।

(গ) ধুবুৰী জিলাৰ সীমান্ত উন্নয়নৰ বাবে চৰকাৰৰ ফালৰ পৰা কোনো চিন্তা-চৰ্চা কৰিছেনে? যদি কৰিছে, তাৰ বিষয়ে অৱগত কৰিব।

*বিষয়* : **বানপানী আৰু গৰাখহনীয়া**

শ্ৰীগনেশ কুমাৰ লিম্বু ঃ

* ১০। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২১ চনৰ পৰা জলসম্পদ বিভাগে বানপানী আৰু গৰাখহনীয়া প্ৰতিৰোধৰ বাবে বৰচলা সমষ্টিত ৰূপায়ণ কৰা আঁচনি সমূহৰ বিতং বিৱৰণ সদনৰ মজিয়াত দাঙি ধৰিব।

(খ) বৰচলা সমষ্টিৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰ নদীৰ দাঁতি কাষৰীয়া অঞ্চল যেনে তিনখুৰিয়া, ঝাৰণি, পুঠিমাৰী, নবীল, তেলিয়াগাঁও, বটলা, ভৰা শিঙৰীৰ বৃহৎ অঞ্চলত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াই আতংকৰ পৰিৱেশৰ সৃষ্টি কৰি আহিছে আৰু বহুতে ঘৰ-বাৰী হেৰুৱাব লগা হৈছে। এই বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত, তেন্তে ইয়াৰ স্থায়ী সমাধানৰ বাবে

কেনে ধৰণৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে সদনত বিতংকৈ জনাব।

(গ) বৰচলা সমষ্টিত প্ৰত্যেক বছৰে বানপানীৰ সময়ত মানুহ আৰু পশুধনৰ বাবে প্ৰাকৃতিক ভাবে ওখ স্থান 'টিলাবস্থী' আৰু 'ডাঠিয়া বস্থী'ক আশ্ৰয় শিবিৰ হিচাপে ব্যৱহাৰ কৰি আহিছে। উক্ত স্থান সমূহক সুবিধাজনক হিচাপে গঢ়ি তুলিবলৈ জলসম্পদ বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে?

*বিষয় ঃ* **সুলভ মূল্যৰ সামগ্ৰীৰ দোকান**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

* ১১। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সুলভ মূল্যৰ দোকানৰ জৰিয়তে কি কি সামগ্ৰী কিমান পৰিমাণে যোগান ধৰা হয়? (উত্তৰ বিস্তৃত তথ্য সহ দিব)

(খ) ২০১১ চনৰ পৰা ২০২৫ চনলৈ অসমৰ সুলভ মূল্যৰ দোকানৰ জৰিয়তে কিমান পৰিমাণৰ কি কি সামগ্ৰী যোগান ধৰা হৈছে? (উত্তৰ জিলাভিত্তিক বিস্তৃত তথ্যসহ দিব)।

(গ) উক্ত সামগ্ৰীসমূহ যোগানৰ ফলত ৰাজ্য চৰকাৰে কিমান টকা ৰাজ সাহাৰ্য্য দিবলগীয়া হৈছে? ইয়াৰ ফলত উপকৃত পৰিয়ালৰ সংখ্যা কিমান? (উত্তৰ ২০১১ চনৰ পৰা বৰ্তমানলৈ বৰ্ষভিত্তিক বিস্তৃত তথ্যসহ দিব)

(ঘ) মূল্য বৃদ্ধিৰ পৰা জনগণক সকাহ দিবলৈ সুলভ মূল্যৰ দোকানৰ জৰিয়তে চাউল, চেনি, আটাৰ উপৰিও নিমখ, মিঠাতেল, দাইল, ৰন্ধন গেছ আদি নিত্য প্ৰয়োজনীয় সামগ্ৰী যোগানৰ বিষয়ে বিবেচনা কৰিব নে?

(ঙ) দৰিদ্ৰ আৰু নিম্ন মধ্যবিত্ত একাংশ পৰিয়ালে ৰেচন কাৰ্ডৰ পৰা বঞ্চিত হোৱাৰ বিষয়ে চৰকাৰ অৱগত নে? যদি হয়, এই সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে? (উত্তৰ বিস্তৃত তথ্য সহ দিব)

*বিষয় ঃ* **সোণাৰী সমষ্টিত কৃষি বিভাগৰ জৰিয়তে ৰূপায়ণ কৰা আঁচনি।**

শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ ঃ

* ১২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সোণাৰী সমষ্টিত RIDF (গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি) PMKSY (প্ৰধান মন্ত্ৰী কৃষি সিঞ্চন যোজনা) BGREI (পূব ভাৰতৰ সেউজ বিপ্লৱ সাধন) আৰু RKVY (ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা) ৰ অধীনত কি কি আঁচনি ৰূপায়ণ কৰা হৈছে?

(খ) এই আঁচনি সমূহৰ জৰিয়তে কিমান সংখ্যক কৃষক বা হিতাধিকাৰীয়ে সুবিধা পাবলৈ সক্ষম হৈছে?

*বিষয় ঃ* **ৰেচন কাৰ্ড**

শ্ৰীআচিফ মঃ নাজাৰ ঃ

* ১৩। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৩-২৪ আৰু ২০২৪-২৫ দুটা বিত্তীয় বৰ্ষত অসমত ৰেচন কাৰ্ড থকা হিতাধিকাৰীক তালিকাৰ পৰা নাম কৰ্তন কৰা হৈছে নেকি? যদি হৈছে, তেন্তে কিমানজনৰ নাম কৰ্তন কৰা হৈছে?

(খ) আধাৰ জনিত সমস্যাৰ কাৰণত কিমানজনে ৰেচনৰ পৰা বঞ্চিত হৈ আছে

আৰু অন্যান্য কাৰণত কিমান লোকৰ নাম তালিকাৰ পৰা দুটা বিত্তীয় বৰ্ষত কৰ্তন হৈছে? সমষ্টি অনুসৰি সমগ্ৰ ৰাজ্যখনৰ তালিকা প্ৰদান কৰিব।

*Subject :* **Number of differently abled persons.**

Sri Sirajuddin Ajmal :

* 14. Will the Minister of Social Justice and Empowerment Deptt. be pleased to state :

a) The total number of differently abled persons residing in the state at present. Please provide district wise in details.

b) What various schemes have been implemented for the financial assistance of differently abled persons in the State? Please provide in details.

c) The amount of the maximum individual benefit provided to differently abled persons in the state. Please provide in details.

d) The names, addresses, types of disabilities and number of bank accounts of persons with disabilities receiving Government assistance under Binnakandi Development Block. Please provide in details.

e) The names, Addresses, types of disabilities and percentages of disabilities etc. of persons not receiving Government assistance after registration under the Binnakandi Development Block. Please provide details.

*বিষয় ঃ* **নিচামুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰ সম্পৰ্কে।**

শ্ৰীৰূপক শৰ্মা ঃ

* ১৫। মাননীয় সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত চৰকাৰী আৰু বেচৰকাৰী নিচামুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰ কিমান আছে? উক্ত কেন্দ্ৰসমূহত কিমান ৰোগী আছে? কেন্দ্ৰৰ নাম সহ ৰোগীৰ তালিকা দিব।

(খ) নিচামুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰসমূহ পঞ্জীয়ন কৰাৰ বাবে কিবা নিয়ম আছে নেকি? যদি আছে, কি কি নিয়মৰ আৰশ্যক? বিতং তথ্য দিব।

(গ) অসমৰ প্ৰতিখন জিলাতে চৰকাৰী নিচামুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰ আছে নেকি? যদি নাই, চৰকাৰে প্ৰতিখন জিলাতে এই কেন্দ্ৰ খোলাৰ ব্যৱস্থা কৰিব নেকি? যদি কৰে, কেতিয়ালৈ কৰিব, বিতং তথ্য দিব।

(ঘ) অসমত মহিলাৰ বাবে সুকীয়াকৈ নিচামুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰ আছে নে? যদি আছে, কেন্দ্ৰসমূহৰ তালিকা সহ ৰোগীৰ সংখ্যা দিব।

(ঙ) নিচামুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰ সমূহত ৰোগীৰ বাবে মাহেকীয়া মাচুল ধাৰ্য্য কৰিছে নেকি? যদি কৰিছে, টকাৰ পৰিমাণ জনাব।

*বিষয় ঃ* **বছৰত বিবিধ শস্যৰ কৃষি কাৰ্য্যৰ সন্দৰ্ভত।**

শ্ৰীসুৰেন ফুকন ঃ

* ১৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিগবৈ সমষ্টিৰ টিংৰাই মৌজাৰ অন্তৰ্গত ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা সমগ্ৰ অঞ্চলটোক আৱৰি থকা হাজাৰ হাজাৰ বিঘাৰ কৃষিভূমিত কৃষকসকলে কেৱল বছৰত এবাৰ ধান উৎপাদন কৰাৰ পিছত আন কোনো কৃষি কাৰ্য্য কৰা পৰিলক্ষিত নোহোৱা বিষয়টো চৰকাৰ অৱগত নে?

(খ) কৃষি বিভাগে এই বৃহৎ কৃষি ভূমিক ব্যৱহাৰ কৰি সমগ্ৰ বছৰটোতে কৃষি জাতীয় সামগ্ৰী উৎপাদনৰ বাবে নতুন কিবা পৰিকল্পনা গ্ৰহণ কৰিছে নেকি?

(গ) বছৰ যোৱা বিবিধ কৃষি উৎপাদনৰ ক্ষেত্ৰত কৃষি বিভাগৰ ওচৰত বৰ্তমান চলি থকা কিবা আঁচনি আছে নেকি? যদি আছে, বিতং তথ্য দিব।

*বিষয় ঃ* **ৰেচন কাৰ্ড**

শ্ৰীপোনাকণ বৰুৱা ঃ

* ১৭। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সম্প্ৰতি অসম ৰাজ্যত কিমান সংখ্যক লোকৰ পৰিয়ালক ৰেচন কাৰ্ড দিয়া হৈছে?

(খ) ৰেচন কাৰ্ড সমূহে কিমান সংখ্যক লোকক সামৰি লৈছে?

(গ) বৰ্তমানেও ৰেচন কাৰ্ডৰ পৰা বঞ্চিত লোকসকলক ৰেচন কাৰ্ড প্ৰদান কৰিবৰ বাবে কি ব্যৱস্থা হাতত লোৱা হৈছে?

(ঘ) কি কি যোগ্যতাৰ ভিত্তিত ৰেচন কাৰ্ড প্ৰদান কৰা হয়?

(ঙ) অবৈধভাৱে ৰেচন কাৰ্ড হস্তগত কৰি ৰখা সকলৰ কাৰ্ড বাতিলৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

(চ) ৰেচন কাৰ্ড প্ৰাপ্তসকলে চৰকাৰৰ পৰা কি কি সুবিধা লাভ কৰে?

*বিষয় ঃ* **খাদ্য সুরক্ষা যোজনা বিষযের সম্পর্কে।**

শ্ৰীখলিল উদ্দিন মজুমদাৰ ঃ

* ১৮। মাননীয় খাদ্য, ৰাজহুৱা বিতরণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করে জানাবেন কি ঃ

(ক) কাটিগড়া সমষ্টিতে খাদ্য সুরক্ষা যোজনার নতুন আবেদনকারীদের মধ্যে বেশির ভাগ আবেদনপত্ৰ ব্লক অফিস থেকে জেলার বিভাগীয় অফিসে পৌঁছায়নি। যার জন্য উপযুক্ত আবেদনকারীরা বঞ্চিত হচ্ছেন। এই বিষয়ে সরকার অৱগত কি?

(খ) যদি অবগত, তবে এই ক্ষেত্রে সরকার কি কোন পদক্ষেপ হাতে নিয়েছে?

*বিষয় ঃ* **Cold Storage**

শ্ৰীমতী নন্দিতা দাস ঃ

* ১৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ নতুনকৈ গঠিত হোৱা ছমৰীয়া বিধানসভা সমষ্টিৰ ছমৰীয়া খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ অন্তৰ্গত সোনতলী, মাহতলী, ৰঙা পানী, টুপামাৰী আদি গাঁও পঞ্চায়ত এলেকাত যথেষ্ট পৰিমাণৰ শাক-

পাচলিৰ উৎপাদন আৰু ইয়াৰ ভিতৰত টুপামাৰীত অসমৰ ভিতৰত আটাইতকৈ বেছি পৰিমাণে জলকীয়া উৎপাদন হোৱা বিষয়টো চৰকাৰৰ অৱগত নে?

(খ) উৎপাদিত এই শাক-পাচলিৰ ভিতৰত বিলাহী, জলকীয়া, ৰঙালাউ, মাকৈ আদি শস্য Cold Storage ৰ অভাৱত কৃষকে দীৰ্ঘ দিনীয়াকৈ মজুত কৰি ৰাখিব পৰা ব্যৱস্থাৰ অভাৱত অতি কম মূল্যত বিক্ৰী কৰিবলগীয়া হোৱাৰ বিষয়ে অৱগত নে?

(গ) যদি অৱগত, এই ক্ষতিগ্ৰস্ত কৃষকখিনিক সকাহ তথা উৎপাদিত শস্য মজুত কৰি ৰখাৰ উদ্দেশ্যে সোনতলী অথবা টুপামাৰীত এটা বিজ্ঞানসন্মত Cold Storage স্থাপন কৰাৰ ব্যৱস্থা এই বিত্তীয় বৰ্ষত কৰিব নে? জনাব।

*বিষয়ঃ* **ফলংগনি বীজপাম সন্দৰ্ভত**

শ্ৰীমৃণাল শইকীয়া ঃ

* ২০। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোলাঘাট জিলাৰ মৰঙি মৌজাত অৱস্থিত ফলংগনি বীজ পামখনৰ মাটি কালি কিমান?

(খ) এই কৃষি পামখন মৃত প্ৰায় অৱস্থাত থকাৰ কাৰণ কি?

(গ) এই বীজ পামখনক সজীৱ কৰি কৃষকৰ সহায়ৰ বাবে ব্যৱহাৰ কৰাৰ কিবা ব্যৱস্থা চৰকাৰে লৈছে নেকি? জনাব।

---

A.G.P. (Mini) LAQ - 08/2025-550-15-02-2025